# আদমৰ দৰে, আমি সকলোৰে পাপ কৰিলোঁঃ

## আমাৰ পাপে আমাক দোষী, লাজ, আৰু দাসত্বত ৰাখিলে

ল'ৰা-ছোৱালীক শিক্ষা দিয়া সকলে অধ্যয়ন S4b পঢ়ক।

**প্ৰাৰ্থনা ঃ** "প্ৰভু যীচু, আমাৰ পাপ পৰিনামৰ পৰা উদ্ধাৰ কৰিবলৈ আপুনি মৰিল। অনুগ্ৰহ কৰি আমাক সহায় কৰক যাতে আমি আমাৰ পাপৰ সন্মুখীন হব পাৰোঁ আৰু পাপৰ ওপৰত জয়ী হৈ জীয়াই থাকিব পাৰোঁ। আমেন।"

বৰ্ত্তমানৰ প্ৰায়াজন আৰু থলুৱা ৰীতি - নিয়মত খাপ খুউৱা কামবোৰ বাচি লওক।

**১। আপোনাৰ মণ্ডলীৰ পাপ অৱস্থাৰ বিষয়ে জনাত সহায় কৰিবলৈ প্ৰাৰ্থনা আৰু ঈশ্বৰৰ বাক্যৰে নিজকে প্ৰস্তুত কৰক।**



বাইবেলে আমাক শিকায় যে সকলোৰে পাপতে জন্ম ললে। আটাইবোৰে পাপী, আৰু আমি সকলোৰে পাপ কৰিলোঁ (১ যোহন ১ঃ৮-১০)।

**চাওক, আদিপুস্তক ৩ঃ১-৯**, পাপ ক'ৰ পৰা আহিল ঃ

- আমাৰ প্ৰথম আদি পিতৃ-মাতৃক চয়তানে কি মিছা কথা কৈছিল? *(৪-৫ পদ)*
- চয়তানৰ বাবে ঈশ্বৰে কি অভিশাপ জনালে? *(১৩-১৫ পদ)*
- আমাৰ আদি পিতৃ-মাতৃক কি অভিশাপ জনালে? *(১৬-১৯ পদ)*

**চাওক, গীতমালা ৫১ঃ১-৫**, তেওঁৰ পাপ সম্পৰ্কে ৰজা দায়ূদে কি কলে ঃ

- তেওঁৰ প্ৰয়োজন বুলি তেওঁ কি ক'লে? *(১-২ পদ)*
- তেওঁৰ পাপৰ সম্বন্ধে তেওঁ কি ক'লে? *(৩ পদ)*
- কাৰ আহিতে তেওঁ পাপ কৰিলে? *(৪ পদ)*
- তেওঁ কেতিয়া পাপী বুলি গণ্য কৰিলে? *(৫)*

ইব্ৰী ১২ঃ১-৪ পদত চাওক, আমাৰ পাপবোৰ কিমান ভয়ঙ্কৰ ঃ

- পাপ কৰাত আমি বিশ্বাসীবিলাক কিমান ইচ্ছুক? (১ পদ)
- আমাৰ পাপৰ কাৰণে কেনেকৈ যীচুৱে সহন কৰিলে? *(২ পদ)*
- আন পাপীলোকৰ কাৰণে আমালৈ কি ঘটিব পাৰে? *(৩ পদ)*
- আমি কেতিয়াবা কিয় পাপৰ বশীভূত হওঁ? *(৪ পদ)*



**আমাৰ পাপে তিনিটা অতি ভয়ানক ফল আনে ঃ অপৰাধ, লাজ, আৰু দাসত্ব ঃ**

**১।অপৰাধ ঃ** ঈশ্বৰৰ আগত আমি অপৰাধী।

- আদালতত এজন দোষীক বিচাৰ কৰাৰ দৰে আৰু বিচাৰপতিয়ে দোষী সাব্যস্ত কৰাৰ দৰে, আমাৰ পাপৰ কাৰণে ঈশ্বৰৰ আগত হিচাপ দিব লাগিব।
- সৌভাগ্যক্ৰমে, খ্ৰীষ্টে ক্ৰুচত আমাৰ পাপৰ ভাৰ ললে য'ত তেওঁ আমাৰ সলনি মৰিল। এইদৰে, যীচুত বিশ্বাস কৰা সকলোকে ঈশ্বৰে ক্ষমা কৰে।

২। **লাজ ঃ** ঈশ্বৰৰ আগত আমি লাজ পাওঁ।

- যিদৰে কোনো এজন লোক কিবা লজ্জাজনক কাম কৰাত, ধৰা পৰে, সেইদৰে আমি মানৱ জাতি ঈশ্বৰৰ আগত দুঃখ ভোগ কৰিম যেতিয়া শেষ বিচাৰত ঈশ্বৰে আমাৰ প্ৰত্যেকৰে পাপবোৰ প্ৰকাশ কৰিব।
- কিন্তু -- ঈশ্বৰক ধন্যবাদ -- আমাৰ সলনি যীচু খ্ৰীষ্টে জগতৰ আগত লাজ ভোগ কৰিলে, যাতে যেন, তেওঁৰ আগমনত আমি লাজত নপৰোঁ।

৩। **দাসত্ব ঃ** আমি পাপ কাৰ্য্যৰ বন্ধনত আছোঁ।

- যিদৰে মদপীয়ে মদ খাবলৈ এৰিব নোৱাৰে, আৰু যাৰ পৰিয়াল তেওঁৰ মদ খোৱাৰ দ্বাৰাই ধ্বংস হয়, ঠিক সেইদৰে আমি পাপ কাৰ্য্যবোৰৰ যেনে -- মদ, ড্ৰাগচ্, মেজিক, মিছা দেৱ-দেবী, অসৎ কাম, আৰু নিষিদ্ধ সম্বন্ধত আসক্ত হৈ পৰোঁ।
- কিন্তু ঈশ্বৰৰ নাম প্ৰশংসিত হওক। যেতিয়া যীচু ক্ৰুচত হত হ'ল, তেওঁ মন্দতাৰ শক্তি বিনষ্ট কৰিলে আৰু আমাৰ দাসত্বৰ পৰা আমাক স্বাধীনতা দান কৰিলে।

২। **অহা সপ্তাহৰ কামবোৰৰ আঁচনি আপোনাৰ সহকৰ্ম্মী সকলৰ লগত কৰক।**

আপোনাৰ মণ্ডলীৰ সভ্য-সভ্যা সকলৰ প্ৰয়োজনবোৰৰ ক্ষমা আৰু স্বাধীনতাৰ বিষয়ে একেলগে আলোচনা কৰক।

- তেওঁলোকে কৰা পাপবোৰৰ কাৰণে কোন সভ্য-সভ্যা সকলক ঈশ্বৰৰ ক্ষমা পোৱা দৰ্কাৰ? তেওঁলোকক পৰিদৰ্শন কৰিবলৈ যাওক, পাপ স্বীকাৰ কৰাত তেওঁলোকক সহায় কৰক, প্ৰভু-ভোজ দিয়ক, আৰু তেওঁলোকৰ পাপ ক্ষমাদান জানিবলৈ প্ৰাৰ্থনা কৰক।
- কোন সভ্য-সভ্যাই তেওঁলোকৰ পূৰ্ব্বৰ জীৱনৰ বাবে এতিয়াও লাজ পায়? তেওঁলোকৰ ওচৰলৈ যাওক, বৰ্ণনা কৰক কেনেকৈ যীচুক তেওঁলোকৰ কাৰণে লাজ দিয়া হল, আৰু সেই লাজ জয় কৰিবলৈ তেওঁলোকৰ কাৰণে প্ৰাৰ্থনা কৰক।
- কোন সভ্য-সভ্যাক আসক্তিৰ ওপৰত জয়ী হোৱা প্ৰয়োজন? তেওঁলোকৰ ওচৰলৈ যাওক, সেই আসক্তি ত্যাগ কৰাত সহায় কৰক, আৰু আপোনাৰ নিত্য চিন্তা-যত্ন আৰু তেওঁলোকৰ স্বাধীনতাৰ কাৰণে প্ৰাৰ্থনা কৰক।

এই সকলো সভ্য-সভ্যাক ১ যোহন ২ঃ২৮ পদ মুখস্থ কৰাত সহায় কৰক।

৩। **হবলগীয়া উপাসনাৰ কাৰণে আপোনাৰ সহকৰ্ম্মী সকলৰ লগত আঁচনি কৰক।**

আদিপুস্তক ৩ অধ্যায়ৰ পৰা আদম আৰু হৱাৰ পতনৰ গল্পটি কওক অথবা নাট কৰক।

দায়ূদে তেওঁৰ পাপৰ সম্বন্ধে কি কয় বৰ্ণনা কৰক আৰু ইয়াৰ বিষয়ে ১ম খণ্ডত দিয়া প্ৰশ্নবোৰ সোধক।

১ম খণ্ডত উল্লেখ কৰা ৰোমীয়া ৩ঃ১৯-২৩; ১ যোহন ৫ঃ১৬-১৯ আৰু ইব্ৰী ১২ঃ১-৪ ৰ পৰা সত্যতাবোৰ চমুকৈ বৰ্ণনা কৰক আৰু একে প্ৰশ্নবোৰ কৰক।

বদ অভ্যাস আৰু ভূতৰ পৰা মুক্তি পোৱা বিশ্বাসীসকলক তেওঁলোকৰ সাক্ষ্য দিবলৈ কওক।

ল'ৰা-ছোৱালীয়ে প্ৰস্তুত কৰা নাট আৰু প্ৰশ্নবোৰ পৰিবেশন কৰিবলৈ দিয়ক।

পাঁচনিৰ কৰ্ম্ম ১৯ঃ১১-২০ পদ পঢ়ক অথবা নাট কৰক। এতিয়া বৰ্ণনা কৰক কেনেকৈ মানুহবিলাকে তেওঁলোকৰ পাপ স্বীকাৰ আৰু যাদুৰ বন্ধন ত্যাগ কৰিলে। সেইদৰে তেওঁলোকক ক্ষমা কৰা হ'ল, লাজ জয় কৰিলে দুষ্ট আত্মাৰ কবলৰ মুক্ত কৰা হ'ল।

প্ৰভু ভোজ স্থাপন কৰিবলৈ আদিপুস্তক ৩ঃ৬-১০ আৰু ২১ পদ পঢ়ক। বৰ্ণনা কৰক যে আদম আৰু হৱাই ডিমৰু গছৰ পাতেৰে তেওঁলোকৰ লাজ ঢাকিবলৈ চেষ্ট কৰিছিল। কিন্তু ঈশ্বৰে তেওঁলোকক জন্তুৰ চাল পিন্ধালে, কাৰণ আমাৰ পাপবোৰ এগৰাকী নিৰ্দ্দোষীৰ তেজৰ দ্বাৰাই ঈশ্বৰৰ দৃষ্টিৰ পৰা লুকাব লাগিব। জন্তুৰ বলিদানে আমাক আগেয়ে কৈছে যে ঈশ্বৰৰ মেৰ পোৱালি যীচুৱে আমাৰ সকলো পাপবোৰ নিজৰ ওপৰত ললে।

দুই বা তিনি জনীয়া গোট গঠন কৰক। তেওঁলোকক আটায়ে জনা পাপ স্বীকাৰ কৰিব কওক আৰু ইজনে সিজনৰ ক্ষমা আৰু স্বাধীনতাৰ নিমিত্তে প্ৰাৰ্থনা কৰক।

একেলগে **মুখস্থ কৰক,** যিচয়া ১ঃ১৮।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net